# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 22-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ষোড়শ ব্ৰীকছ্‌ শীৰ্ষ সন্মিলনৰ সুযোগতে দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰত দেশৰ ৮ কোটি দুগ্ধ উৎপাদকক সংযুক্ত কৰাৰ উদ্দেশ্যে দ্বিতীয় শ্বেতবিপ্লৱৰ বাবে সাজু হৈছে।

৩। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, ভাৰত সঞ্চাৰ নিগম লিমিটেডে ফোৰ-জি নেটৱৰ্ক মুকলি কৰাৰ পাছৰে পৰা ইয়াৰ গ্ৰাহকৰ সংখ্যা বিগত ৬ মাহত ১ কোটি ৮০ লাখলৈ বৃদ্ধি পাইছে।

৪। পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ২০১৫ চনৰ ধৰ্মীয় অনুষ্ঠানৰ মৰ্যাদা হানিকৰণৰ গোচৰত ডেৰা সচ্চা সৌদাৰ মুৰব্বী গুৰমিত ৰাম ৰহিমৰ বিৰুদ্ধে মোকৰ্দমা চলোৱাৰ অনুমতি প্ৰদান কৰিছে। ***আৰু***

৫। ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দল কিছুসময়ৰ পাছত জোহৰ কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ঘৰুৱা দল মালয়েছিয়াৰ সন্মুখীন হ'ব।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ষোড়শ ব্ৰীকছ্‌ শীৰ্ষ সন্মিলনৰ সুযোগতে দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। আলোচনাকালত শ্ৰীমোদীয়ে ৰাছিয়া-ইউক্ৰেইনৰ সংঘাত শান্তিপূৰ্ণ পন্থাৰে সমাধান কৰা উচিত বুলি ভাৰতে গ্ৰহণ কৰা স্থিতিৰ বিষয়ে পুনৰ উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে মানৱীয় প্ৰচেষ্টাক অগ্ৰাধিকাৰ দি শান্তি আৰু সুস্থিৰতাৰ পুনৰুদ্ধাৰৰ ওপৰত আস্থা ৰাখে। এইক্ষেত্ৰত ভাৰতে সকলো সহযোগিতা আগবঢ়াবলৈ সাজু বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ শেহতীয়া ৰাছিয়া ভ্ৰমণে দুয়োখন দেশৰ মাজত সমন্বয় আৰু গভীৰ বন্ধুত্বৰ সম্পৰ্কত আলোকপাত কৰিছে। ব্ৰীক্‌ছ্‌ শীৰ্ষ সন্মিলনৰ বাবে কাজানৰ দৰে এখন সুন্দৰ মহানগৰীত উপস্থিত হৈ তেওঁ আনন্দ অনুভৱ কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই মহানগৰীখনৰ সৈতে ভাৰতৰ গভীৰ আৰু ঐতিহাসিক সম্পৰ্ক আছে আৰু কাজানত ভাৰতীয় বাণিজ্যিক দূতাবাস স্থাপনে এই দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে বিগত ১৫ বছৰত ব্ৰীক্‌ছে নিজৰ বিশেষ পৰিচয় দাঙি ধৰিছে আৰু সম্প্ৰতি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই এই গোটৰ অংশীদাৰ হোৱাৰ আগ্ৰহ প্ৰকাশ কৰিছে বুলি তেওঁ মন্তব্য কৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কাজানত ভাৰতৰ বাণিজ্যিক দূতাবাস স্থাপনৰ সিদ্ধান্তক আদৰণি জনায়।

শ্ৰীমোদী কাইলৈ আৰম্ভ হ'বলগীয়া ব্ৰীকছ্‌ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি কাজানত উপস্থিত হয়। এইবেলি এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে গোলকীয় উন্নয়ন আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতাবাদৰ সুদৃঢ়কৰণ। ইপিনে, ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে ভাৰতে ইতিমধ্যে গোলকীয় উন্নয়ন কাৰ্যসূচী, সংশোধিত বহুপাক্ষিকতাবাদ, জলবায়ু পৰিৱৰ্তন, অৰ্থনৈতিক সহযোগিতা, শক্তিশালী যোগান শৃংখলা নিৰ্মাণ, সাংস্কৃতিক আৰু জনসম্পৰ্কৰ

প্ৰসাৰৰ দৰে বিষয়সমূহক লৈ আলোচনাৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ ঘনিষ্ঠ সহযোগিতাত গুৰুত্ব আৰোপ কৰি আহিছে।

০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰত দেশৰ ৮ কোটি দুগ্ধ উৎপাদকক সংযুক্ত কৰাৰ উদ্দেশ্যে দ্বিতীয় শ্বেতবিপ্লৱৰ বাবে সাজু হৈছে। গুজৰাটৰ আনন্দত আজি ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ হীৰক জয়ন্তী সমাৰোহত ভাষণ দি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে বৰ্তমান মাত্ৰ ডেৰ কোটি দুগ্ধ উৎপাদক সমবায় খণ্ডৰ সৈতে জড়িত হৈ আছে যদিও অধিকাংশ মীন পালকৰ শোষণ অব্যাহত আছে।

মন্ত্ৰীগৰাকীয়ে কয় যে, দেশৰ দুগ্ধ উৎপাদন খণ্ডৰ বছৰি ৬ শতাংশ হাৰত বিকাশ হৈ আছে আৰু এই হাৰ বিশ্বৰ গড় হাৰতকৈ অধিক। তেওঁ লগতে তেওঁ লগতে দুগ্ধ উদ্যোগৰ সাফল্য আৰু দুগ্ধ উৎপাদকসকলৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। পৰৱৰ্তী ৫ বছৰত দেশত ২ লাখ সমবায় গঠন কৰাৰ বাবে বিজেপি চৰকাৰৰ পৰিকল্পনাৰ বিষয়েও শ্ৰীশ্বাহে প্ৰকাশ কৰে। দুগ্ধ উৎপাদন খণ্ডৰ বিকাশৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় গোকুল মিছনৰ লেখিয়া চৰকাৰৰ বিভিন্ন উদ্যমৰ কথা উল্লেখ কৰে। সমাৰোহত মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ খেতিয়ককেন্দ্ৰিক ভালেমান প্ৰকল্প উদ্বোধন কৰে আৰু ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ নতুন চৌহদো মুকলি কৰে। কেন্দ্ৰীয় দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সি, গুজৰাটৰ পশুপালন মন্ত্ৰী ৰাঘৱ জী পেটেল, ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড০ মিনেশ শ্বাহ সমাৰোহত উপস্থিত থাকে।

০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, ভাৰত সঞ্চাৰ নিগম লিমিটেডে ফোৰ-জি নেটৱৰ্ক মুকলি কৰাৰ পাছৰে পৰা গ্ৰাহকৰ সংখ্যা বিগত ৬ মাহত ৭৫ লাখৰ পৰা ১ কোটি ৮০ লাখলৈ বৃদ্ধি পাইছে। নতুন দিল্লীত আজি ভাৰত সঞ্চাৰ নিগম লিমিটেড-বি এছ এন এলৰ নতুন লোগো আৰু ৭ প্ৰকাৰৰ নতুন সেৱা মুকলি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত নিজৰ ফোৰ জি নেটৱৰ্ক বিকশাই তোলা বিশ্বৰ ৬ খন দেশৰ ভিতৰত অন্যতম। এই নেটৱৰ্কক শীঘ্ৰে ফাইভ-জি লৈ ৰূপান্তৰ কৰা হব বুলি তেওঁ কয়।

০০০

উচ্চতম ন্যায়ালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিগ্ৰী সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাৰ বাবে গুজৰাট বিশ্ববিদ্যালয়ে ৰুজু কৰা মানহানিৰ গোচৰ সংক্ৰান্তত জাৰি কৰা চমন বাতিল কৰিবলৈ অনুৰোধ জনাই দাখিল কৰা আবেদন অগ্ৰাহ্য কৰাৰ পাছত বিজেপিয়ে আজি দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত দলৰ মুখপাত্ৰ ৰবীশংকৰ প্ৰসাদে কয় যে, এসময়ত শ্ৰীকেজৰিৱালে প্ৰধানমন্ত্ৰীৰ ডিগ্ৰী আৰু যোগ্যতা সম্পৰ্কে প্ৰতিদিনে প্ৰশ্ন উত্থাপন কৰিছিল। এই সন্দৰ্ভত ভিত্তিহীন অভিযোগো উত্থাপন কৰা হৈছিল বুলি শ্ৰীপ্ৰসাদে মন্তব্য কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে, তেওঁ আম আদমী পাৰ্টীৰ মুৰব্বীগৰাকীয়ে বিষয়টো সন্দৰ্ভত ক্ষমা খুজিবলৈ ইচ্ছা প্ৰকাশ কৰা বুলি জানিব পাৰিছে।

০০০

পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ২০১৫ চনৰ ধৰ্মীয় অনুষ্ঠানৰ মৰ্যাদা হানিকৰণৰ গোচৰত ডেৰা সচ্চা সৌদাৰ মুৰব্বী গুৰমিত ৰাম ৰহিমৰ বিৰুদ্ধে মোকৰ্দমা চলোৱাৰ অনুমতি প্ৰদান কৰিছে। ৰাজ্য চৰকাৰে ডেৰা সচ্চা সৌদাৰ ৰাষ্ট্ৰীয় সমিতিৰ ৩ গৰাকী সদস্য ক্ৰমে প্ৰদীপ ক্লেৰ, হৰ্ষধুৰি আৰু সন্দিপ বৰেতাৰ বিৰুদ্ধেও মোকৰ্দমা চলোৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। উচ্চতম ন্যায়ালয়ে এই গোচৰকেইটাৰ সংক্ৰান্তত বিচাৰ প্ৰক্ৰিয়াত পাঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে দিয়া স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ ৩ দিনৰ পাছত পাঞ্জাৱ চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০

ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৩ সম্পৰ্কীয় যুটীয়া সংসদীয় কমিটিয়ে তৃণমূল কংগ্ৰেছৰ সাংসদ কৈল্যান বেনাৰ্জীক কমিটিৰ বৈঠকত অংশগ্ৰহণ কৰাৰ পৰা এদিনৰ বাবে নিলম্বন কৰিছে। সংসদ ভৱনত আজি অনুষ্ঠিত কমিটিৰ বৈঠকৰ সময়ত কৰা অশোভনীয় আচৰণৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সূত্ৰৰ পৰাজানিব পৰা মতে, বৈঠকৰ সময়ত বিজেপি সাংসদ অভিজিত গংগোপধ্যায়ৰ সৈতে শ্ৰীবেনাৰ্জীৰ তীব্ৰ বাক বিতণ্ডা হয় আৰু ইয়াৰ পাছতে তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকীয়ে অশোভনীয় আচৰণ প্ৰদৰ্শন কৰে। বিজেপি সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাত অনুষ্ঠিত কমিটিৰ আজিৰ বৈঠকত ওড়িশাৰ কটকস্থিত জাষ্টিছ ইন ৰিয়েলিটি, পঞ্চ সখা বাণী প্ৰচাৰ মণ্ডলী আৰু ইণ্ডিয়ান ইউনিয়ন মুছলীম লীগৰ ৫ গৰাকী সাংসদে দিহা পৰামৰ্শ আগবঢ়োৱাৰ কথা আছিল।

০০০

বঙ্গোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণিবতাহজাক অধিক শক্তিশালী হৈছে আৰু বতাহজাক ওড়িশাৰ উপকূল ভাগৰ দিয়ে অগ্ৰসৰ হৈছে। বতাহজাকে বৃহস্পতিবাৰে মাজনিশা ওড়িশাৰ বালেশ্বৰ সমীপৰ উপকূলভাগ আৰু কেন্দ্ৰপাৰা ভদ্ৰক বা ভিতৰকণিকাত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতাহজাকৰ প্ৰভাৱত ওড়িশাৰ ভালেমান অংশত বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, পূৱ বঙ্গোপসাগৰত সৃষ্টি হোৱা নিম্নচাপ বলয় ওড়িশাৰ পাৰাদ্বীপৰ পৰা প্ৰায় ৭০০ কিলোমিটাৰ দক্ষিণ পূৱত আৰু পশ্চিমবঙ্গৰ সাগৰ দ্বীপৰ পৰা ৭৫০ কিলোমিটাৰ দক্ষিণ-দক্ষিণ পূৱত কেন্দ্ৰীভূত হৈ আছে। এই নিম্নচাপ বলয় পশ্চিম-উত্তৰ পশ্চিম দিশত অগ্ৰসৰ হোৱাত আৰু কাইলৈকে পূৱ-মধ্য বঙ্গোপসাগৰত ঘূৰ্ণিবতাহলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ডানা নামৰ এই ঘূৰ্ণিবতাহজাকে প্ৰতিঘণ্টাত ১০০ পৰা ১১০ কিলোমিটাৰ বেগেৰে ওড়িশাৰ উপকূল ভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভূভাগত খুন্দা মৰাৰ সময়ত বতাহজাকৰ গতিবেগ প্ৰতিঘণ্টাত ১২০ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি পাব পাৰে।

০০০

ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দল কিছুসময়ৰ পাছত জোহৰ বাহাৰুত হবলগীয়া জোহৰ কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ঘৰুৱা দল মালয়েছিয়াৰ সন্মুখীন হ'ব। ভাৰতে প্ৰথম দুয়োখন খেলত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতে প্ৰথমখন খেলত জাপানক ৪-২ গ'লত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত গ্ৰেট ব্ৰিটেইনৰ বিৰুদ্ধে ৬-৪ গ'লত জয়লাভ কৰে।

০০০

সমাপ্ত